India completes first phase of modernization of Rajiv Gandhi Art and Production School,Mongolia.(Assamese Translation)

# ভাৰতে মঙ্গোলিয়াত ৰাজীৱ গান্ধি আৰ্ট আৰু প্ৰডাক্টশ্বন স্কুলৰ অত্যাধুনিকতাৰ প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ কৰে ।

ফেব্ৰুৱাৰী ২০,২০১৪

ভাৰত চৰকাৰে ৪.৭ কোটী পুঁজি ব্যয়ৰে মঙ্গোলিয়াৰ উলানবাটৰত নিৰ্মাণ কৰা ৰাজীৱ গান্ধি আৰ্ট এন্ড প্ৰডাক্টশ্বন স্কুল চমুকৈ (আৰ.জি.এ.পি.এচ)১৭ ফেব্ৰুৱাৰী ২০১৪ তাৰিখে প্ৰথম পৰ্যায়ৰ উন্নয়ন আৰু অত্যাধুনিকৰ কাম সম্পূৰ্ণ কৰা হয় । সম্পূৰ্ণ হোৱা প্ৰথম পৰ্যায়ৰ প্ৰকল্পটো আনুষ্ঠানিক ভাৱে মঙ্গোলিয়াৰ শ্ৰম মন্ত্ৰী মহামান্য য়্যা.সঞ্জমায়্যাটাভ আৰু ভাৰতৰ গুৰু উদ্যোগ মন্ত্ৰনালয়ৰ সচিব শ্ৰী সুটানো বিহুৰীয়াৰ উপস্থিতিত এক  অনুষ্ঠানত মঙ্গোলিয়াক হস্তান্তৰ কৰা হয় ।ভাৰত চৰকাৰ আৰু মঙ্গোলিয়াৰ মাজত ২০১৩ চনত স্বাক্ষৰিত এক অনুদান চুক্তি মৰ্মে কেন্দ্ৰীয় বহি পৰিক্ৰমা মন্ত্ৰনালয়ে উক্ত প্ৰকল্পটোৰ ব্যয় বহন কৰিছে ।

ৰাজীৱ গান্ধি আৰ্ট এন্ড প্ৰডাক্টশ্বন স্কুল,ভাৰত আৰু মঙ্গোলিয়াৰ সহযোগিতাৰ ক্ষেত্ৰত উলানবাটৰ এক অতি গুৰুত্বপূৰ্ণ প্ৰতীক ।১৯৯২ চনত অনুষ্ঠিত অৰ্থনৈতিক আৰু প্ৰযুক্তি বিষয়ত সহযোগিতাৰ চুক্তিৰ অন্তৰ্গত মঙ্গোলিয়াৰ ছাত্ৰ-ছাত্ৰী সকলক বিভিন্ন কাৰীকৰি প্ৰশিক্ষন আগবঢ়োৱাৰ উদ্দেশ্যৰে এই প্ৰকল্পটো কাৰ্য্যকৰী কৰা হয় ।আৰ.জি.এ.পি.এচ আনুষ্ঠানিক ভাৱে ১৯৯৬ চনত উদ্বোধন কৰা হৈছিল ।

অতি কম দিনৰ ভিতৰতে আৰ.জি.এ.পি.এচ প্ৰকল্পটোৰ দ্বিতীয় পৰ্যায়ৰ অত্যাধুনিকতাৰ কাম আৰম্ভ হব ।

নতুন দিল্লী

ফেব্ৰুৱাৰী ২০,২০১৪